**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 02-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিয়লি চাৰে তিনি বজা পৰ্যন্ত ৫৬ দশমিক ৪-১ শতাংশ ভোটদান সম্পন্ন হৈছে।

তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৪৫ শতাংশ, চৰাইদেউত ৭০ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৭৭ দশমিক ৭-২ শতাংশ, যোৰহাটত ৫৭ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৫৬ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হৈছে।

সামগ্ৰিকভাৱে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয় যদিও দুই-এটা স্থানত বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি আহিছে। ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত জেৰাই দীঘলিবাৰী গাঁও পঞ্চায়তত চাৰি শতাধিক লোক ভোটদানৰ পৰা বঞ্চিত হোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

চৰাইদেউ জিলাত প্ৰথম পৰ্যায়ৰ ভোটগণনা শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। পুৱাৰে পৰা চৰাইদেউ জিলাৰ গ্ৰামাঞ্চল আৰু চাহ বাগিছাসমূহত পুৰুষ-মহিলা উভয়ে ভোটদানৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰসমূহত দীঘলীয়া শাৰী পতা দেখা যায়। ভোটদানৰ হাৰ পুৱাৰ ভাগত কিছু কম আছিল যদিও বিয়লিৰ ভাগত ভিৰ পৰিলক্ষিত হয়।

তিনিচুকীয়া জিলাৰ ডিগবৈৰ বেতনী প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত স্থানীয় ৰাইজে প্ৰতিবাদ কৰি ভোট বৰ্জন কৰে।এই ভোটকেন্দ্ৰটো চামদাং পঞ্চায়তৰ ৯ নম্বৰ ৱাৰ্ডৰ অন্তৰ্ভুক্ত। ডিগবৈ বিধানসভা সমষ্টিৰ পৰা ডুমডুমা বিধানসভা সমষ্টিত অন্তৰ্ভুক্ত কৰাৰ বাবে স্থানীয় ৰাইজে প্ৰতিবাদ কৰি ভোটদানৰ পৰা বিৰত থাকে। কেন্দ্ৰটোত ৪৭১টা ভোটৰ বিপৰীতে মাত্ৰ ৯জন ভোটদাতাই ভোটদান কৰে।

oooooo

অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। বিজেপি, অসম গণ পৰিষদ, কংগ্ৰেছ, ৰাইজৰ দল, এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থীসকলে ঘৰে ঘৰে গৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধুবুৰীৰ পৰা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ধুবুৰীৰ বীৰ চিলাৰায় মেলা ময়দানত অনুষ্ঠিত জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি আৰু মিত্ৰদল অগপৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায়।

ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে সৰুপেটা জিলা পৰিষদৰ অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ পুঠিমাৰী চ'কবজাৰত ৰাইজৰ সৈতে মত-বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ ৰাইজৰ সমস্যাসমূহৰ বিষয়ে অৱগত হোৱাৰ লগতে উন্নয়নৰ স্বাৰ্থত মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়।

ooooo

জলজ কৃষি বিপ্লৱৰ সূচনাৰ লক্ষ্যৰে অসম বাজেটত পুঁজি নিৰ্ধাৰণ কৰা হৈছে। বাজেটত ৪ হাজাৰ হেক্টৰ বিল পুনৰুজ্জীৱিত কৰাৰ বাবে ১৬৩ কোটি টকাৰ অনুমোদন দিয়া হয়। ইয়াৰ জৰিয়তে ৰাজ্যজুৰি ১ লাখৰো অধিক মাছমৰীয়া উপকৃত হ'ব বুলি আশা কৰা হৈছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে।

০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ চিৰাং জিলাৰ পানবাৰী ৰেঞ্জৰ অধীনস্থ ঘন জংঘলৰ ভিতৰত তিনিটাকৈ বনৰীয়া হাতী হত্যা কৰাৰ তথ্য পোহৰলৈ আহিছে। ভাৰত-ভূটান সীমান্তৰ পানবাৰী ৰেঞ্জৰ পৰা কিছু নিলগত এই হাতী তিনিটাৰ গুলীবিদ্ধ মৃতদেহ উদ্ধাৰ কৰা হৈছে। বন বিভাগৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও বিতং তথ্য এতিয়ালৈকে জানিব পৰা হোৱা নাই। পানবাৰী বন বিভাগৰ এটা সশস্ত্ৰ বনৰক্ষী বাহিনীয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত প্ৰৱেশ কৰি চোৰাং চিকাৰীৰ বিৰুদ্ধে তীব্ৰ অভিযান আৰম্ভ কৰিছে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাত আজি পুৱা বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলা নিহত হৈছে। বনৰীয়া হাতীৰ আক্ৰমণত তৰাডুবি গাঁৱৰ মইনা বৰদলৈ নামৰ ৪৫ বছৰীয়া মহিলাগৰাকী নিহত হয়। জংঘলৰ এটা পথেৰে গৈ থকা অৱস্থাত মহিলাগৰাকীক হাতীয়ে আক্ৰমণ কৰে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

কাশ্মীৰৰ পহলগাম কাণ্ড সন্দৰ্ভত সামাজিক মাধ্যমত দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত আজি ধুবুৰী জিলাৰ বিলাসীপাৰাৰ এজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। বিলাসীপাৰাৰ কঠালদি প্ৰথম খণ্ড গাঁৱৰ ওমৰ আলী নামৰ যুৱকজনে সামাজিক মাধ্যমত পাকিস্তানক সমৰ্থন কৰি পোষ্ট দিয়ে। বিষয়টো আৰক্ষীৰ দৃষ্টিগোচৰ হোৱাত গোচৰ ৰুজু কৰি ওমৰ আলীক নিশা গ্ৰেপ্তাৰ কৰা হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে প্ৰথমে বেট ধৰি ছানৰাইৰ্জাৰ্ছ হায়দৰাবাদক ২২৫ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। গুজৰাট টাইটানছৰ হৈ অধিনায়ক শুভমন গিলে ৭৬, জছ বাটলাৰে ৬৪ আৰু ছাই সুদৰ্শনে ৪৮ ৰাণৰ বৰঙণি আগবঢ়ায়। ছানৰাইৰ্জাৰ্ছ হায়দৰাবাদৰ হৈ উনাডকাটে তিনিটা, পেট কামিনছ আৰু জেছান আনচাৰিয়ে এটাকৈ উইকেট দখল কৰে।

০০০০০

সমাপ্ত